**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-03-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

::::::::::::::::::

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ত অসম বিধানসভা আৰু বিধায়ক আবাস নিৰ্মাণস্থলী পৰিদৰ্শন। অহা দুবছৰৰ ভিতৰত নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

২। অসম বিধানসভাত বিজেপিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ অশোভণীয় আচৰণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰতিক্ৰিয়া।

৩। অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান।

৪। গুৱাহাটী মহানগৰীৰ জল বোৰ্ডে সামৰি লোৱা অঞ্চলসমূহত অহা ১ জুলাইৰ পৰা গুৱাহাটী পৌৰ নিগমৰ পানী যোগান বন্ধ।

*আৰু*

৫। ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণৰ আজিৰ উদ্বোধনী খেলত কলকাতা নাইট ৰাইডাৰ্ছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে স্বীকৃতি দিয়াৰ পাছতে ডিব্ৰুগড়ক উন্নয়নমূলক আঁচনি ৰূপায়ণৰ তৎপৰতা বৃদ্ধি পাইছে। ডিব্ৰুগড়ৰ খনিকৰত ৰাজ্যৰ দ্বিতীয় বিধানসভা গৃহ ২০২৭ চনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি অসম বিধানসভা আৰু বিধায়ক আবাস নিৰ্মাণস্থলী পৰিদৰ্শন কৰি এই নিৰ্মাণকাৰ্য দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি মন্তব্য কৰে। এই বিধানসভা গৃহ আৰু বিধায়ক আবাস গৃহৰ নিৰ্মাণকাৰ্যৰ নিবিদা প্ৰক্ৰিয়া মে'ত আৰম্ভ হ'ব বুলি উল্লেখ কৰাৰ লগতে নিৰ্মাণকাৰ্য আগষ্টত আৰম্ভ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ডিব্ৰুগড়ত নিৰ্মাণ হ'বলগীয়া অসম বিধানসভা ভৱনত ভৱিষ্যতে ১৬০ গৰাকী বিধেয়ক বহিব পৰাৰ সুবিধা সম্বলিত হ'ব। ২০২৭ চনৰ শেষ ভাগলৈ প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে বছৰি দুখনকৈ অসম বিধানসভাৰ অধিৱেশন ডিব্ৰুগড়ত অনুষ্ঠিত কৰিব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। ডঃ শৰ্মাই কয়, যে বিধানসভা ভৱনৰ সমীপত নিৰ্মাণ হ'বলগীয়া আৱৰ্ত ভৱনটোত চৰকাৰী বিষয়াসকলৰ বাবে ৭৫ টা কোঠা আৰু প্ৰস্তাৱিত বিধায়ক আবাসত ১২৬ গৰাকী বিধায়ক থাকিব পৰাকৈ সা-সুবিধা উপলব্ধ হ'ব। মুখ্যমন্ত্ৰীয়ে কালি খনিকৰ ষ্টেডিয়ামৰো নিৰ্মাণকাৰ্যৰ বুজ লয়। ষ্টেডিয়ামখনৰ আসনৰ ব্যৱস্থা পূৰ্বৰ ৫ হাজাৰৰ পৰা ২৫ হাজাৰলৈ বৃদ্ধি কৰা আৰু প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্য চলিত বৰ্ষৰ শেষৰফালে সম্পূৰ্ণ হৈ উঠিব বুলি তেওঁ মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ডিব্ৰুগড়ৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ অৰ্থে পৌৰসভা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা তথা সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকলৰ সৈতে কালি আন এখন বৈঠকত মিলিত হয়। বৰ্তমানে থকা ১৫ টা কালভাৰ্ট পুনৰ নিৰ্মাণ কৰিবলৈ আৰু মুৰুলীধৰ জালান বাছ টাৰ্মিনাছৰ পৰা চেঁচালৈ ৪৫ কোটি টকা ব্যয়সাপেক্ষে ৯ হাজাৰ ৩৮৫ মিটাৰ দৈৰ্ঘ্যৰ এটা নতুন নলা নিৰ্মাণৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ তেওঁ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কালি ডিমৌ বিধানসভা সমষ্টিত ৰূপায়িত বিভিন্ন আঁচনি, শিৱসাগৰ জিলাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতি, প্ৰধানমন্ত্ৰী আবাস যোজনা, মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনি, এম জি এনৰেগা, স্বাস্থ্য আৰু শিক্ষা বিভাগ, কৃষি, অৰুণোদয়, অংগনৱাড়ী কেন্দ্ৰ, প্ৰশাসনীয় ব্যৱস্থা আদিকে ধৰি বিভিন্ন বিষয়ক লৈ কেইবাখনো বৈঠকত মিলিত হয়।

আজি তেওঁ লেপেটকটাত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেড পৰিদৰ্শনৰ অন্তত গুৱাহাটীলৈ উভটিব।

০০০০০

মৰিয়ণিৰ বিধায়ক  ৰূপজ্যোতি কুৰ্মীয়ে কালি অসম বিধানসভাত লোকনিৰ্মাণ বিভাগৰ কৰ্তন প্ৰস্তাৱ সন্দৰ্ভত অনুষ্ঠিত আলোচনাৰ সময়ত বিধায়ক অখিল গগৈ আৰু বিধায়ক শ্বেৰমান আলীৰ বিৰুদ্ধে অশোভনীয় আচৰণ কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মৰিয়নি থানা চাৰিআলি, হেমলাই, চেলেংহাট, নকছাৰী আদিকে ধৰি বিধায়কগৰাকীৰ নিজা সমষ্টিৰ বিভিন্ন স্থানত কৃষক মুক্তি সংগ্ৰম সমিতিৰ লোকসকলে শ্ৰী কুৰ্মীৰ এনে আঁচৰণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। শিৱসাগৰ জিলাৰ দৌলমুখ চাৰিআলিত ৰাইজৰ দলৰ সদস্যসকলে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে  বিধায়কগৰাকীক তেওঁৰ আচৰণৰ বাবে ক্ষমা খোজাৰ দাবী জনায়।

উল্লেখযোগ্য যে, অসম বিধানসভাত কালি লোকনিৰ্মাণ বিভাগৰ কৰ্তন প্ৰস্তাৱ সন্দৰ্ভত বিতৰ্কত ভাগ লৈ বিধায়ক কুৰ্মীয়ে পূৰ্বৰ চৰকাৰসমূহৰ তুলনাত বৰ্তমানৰ চৰকাৰে কৰা কাম-কাজৰ প্ৰশংসাৰ সময়ত বিধায়ক অখিল গগৈ আৰু বিধায়ক শ্বেৰমান আলীয়ে তেওঁলোকৰ ফাললৈ চাই বক্তব্য উত্থাপন কৰাৰ পৰিৱৰ্তে অধ্যক্ষকহে সম্বোধন কৰিব লাগে বুলি মন্তব্য কৰাত বিজেপিৰ বিধায়কগৰাকী খৰ্গহস্ত হৈ পৰে আৰু উত্তেজিত হৈ তেওঁ বিধায়ক শ্বেৰমান আলীৰ ফালে চোঁচা মাৰিবলৈ উদ্যত হয়। অধ্যক্ষৰ আসনত থকা উপাধ্যক্ষ নোমল মমিনে বিধায়কগৰাকীক শান্ত কৰিবলৈ যথেষ্ট চেষ্টা কৰিবলগীয়া হয় আৰু মাৰ্শ্বলৰ সহায়তহে বিধায়কগৰাকীক ক্ষান্ত কৰে। এই ঘটনাৰ প্ৰতিবাদত বিৰোধী পক্ষই কিছু সময়ৰ বাবে সদন ত্যাগ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত গঢ়ি উঠা প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহ নিয়ন্ত্ৰণ কৰিবলৈ ৰাজ্য চৰকাৰ বিশেষ তৎপৰ হৈ পৰিছে। অসম বিধানসভাত কালি দি আছাম ক'চিং ইনষ্টিটিউট কণ্ট্ৰ'ল এণ্ড ৰেগুলেচন বিল, ২০২৫ উত্থাপন কৰা হয়। বিধেয়কখনৰ জৰিয়তে শিক্ষাৰ্থীৰ বাবে কল্যাণমূলক নিয়ন্ত্ৰণ ব্যৱস্থাও গঢ়ি তোলা হ'ব। এই বিধেয়ক অনুসৰি প্ৰতিটো প্ৰশিক্ষণ প্ৰতিষ্ঠান খুলিবলৈ আগ্ৰহী ব্যক্তিয়ে সংশ্লিষ্ট জিলাৰ আয়ুক্তৰ ওচৰত পঞ্জীয়নৰ বাবে আবেদন কৰিব লাগিব। লগতে বৰ্তমানে চলি থকা প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহেও বিধেয়কখন গৃহীত হোৱাৰ ৩০ দিনৰ ভিতৰত জিলা আয়ুক্তৰ ওচৰত পঞ্জীয়ন কৰিব লাগিব। পৌৰ নিগম এলেকাৰ ভিতৰত থকা

প্ৰতিষ্ঠানৰ বাবে বৈধ বাণিজ্য অনুজ্ঞা পত্ৰ আৰু নিৰ্মাণৰ অধিকাৰ প্ৰমাণ পত্ৰ থকাটো জৰুৰী হ’ব। বিধেয়কখনৰ জৰিয়তে স্পষ্ট কৰা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ আচৰণবিধি অনুসৰি – প্ৰতিটো শ্ৰেণীত নামভৰ্তি কৰা শিক্ষাৰ্থীৰ সংখ্যা ৱেবছাইট বা পৰিচিতি পুস্তিকাত উল্লেখ কৰা শিক্ষাৰ্থীৰ সংখ্যাতকৈ অধিক হ’ব নোৱাৰিব আৰু পৰীক্ষাজনিত অসুবিধা, পাঠ্যক্ৰম আদিৰ বিষয়ে নামভৰ্তিৰ পূৰ্বে শিক্ষাৰ্থীসকলক অৱগত কৰিব লাগিব। বিধেয়কখনত প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ বাবে কিছু নীতি-নিৰ্দেশনা স্পষ্ট কৰি দিয়া হৈছে। সেই অনুসৰি স্নাতকতকৈ কম অৰ্হতা থকা শিক্ষক নিযুক্তি দিব নোৱাৰাৰ লগতে শিক্ষাৰ্থী তথা অভিভাৱকক ভাল পদবী বা কোনো বিভ্ৰান্তিকৰ প্ৰতিশ্ৰুতি দিব নোৱাৰিব। লগতে ১৬ বছৰৰ তলৰ বা মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰাৰ পূৰ্বে শিক্ষাৰ্থীক প্ৰশিক্ষণ প্ৰতিষ্ঠানত নামভৰ্তি কৰাব নোৱাৰিব। প্ৰতিষ্ঠানটোৱে আগবঢ়োৱা সুবিধাৰ মান সম্পৰ্কিত কোনো বিভ্ৰান্তিকৰ বিজ্ঞাপন প্ৰকাশতো বাধা থাকিব। প্ৰতিষ্ঠানৰ শিক্ষকৰ অৰ্হতা, মাছুল নীতি আদিৰ সকলো শেহতীয়া তথ্য ৱেবছাইটত সন্নিবিষ্ট থাকিব লাগিব।

ooooo

প্ৰশিক্ষণ প্ৰতিষ্ঠান সম্পৰ্কীয় এই বিধেয়কখনকে ধৰি অসম বিধানসভাত কালি মুঠ চাৰিখন নতুন বিধেয়ক আৰু ১১খন সংশোধনী বিধেয়ককে ধৰি ১৫ খন বিধেয়ক উত্থাপন কৰা হয়। আমাৰ পূৰ্বৰ বাতৰিতে কোৱা হৈছে যে - শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ নতুনকৈ উন্নীত কৰা বঙাইগাঁও বিশ্ববিদ্যালয়, গুৰুচৰণ বিশ্ববিদ্যালয়, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, নগাঁও বিশ্ববিদ্যালয়, নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়, শিৱসাগৰ বিশ্ববিদ্যালয়, শ্বহীদ কনকলতা বৰুৱা বিশ্ববিদ্যালয় আৰু কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ বাবে মুঠ ৮ খন সংশোধনী বিধেয়ক উত্থাপন কৰে। ডাঃ পেগুৱে অসম ব্যক্তিগত বিশ্ববিদ্যালয় সংশোধনী বিধেয়কো উত্থাপন কৰে। ইপিনে, দ্বিতীয় এডভাণ্টেজ আছামৰ সময়ত স্বাক্ষৰিত বুজাবুজিৰ চুক্তি অনুসৰি দৰং জিলাত মা কামাখ্যা বিশ্ববিদ্যালয়, তিনিচুকীয়াত এডটেক দক্ষতা বিশ্ববিদ্যালয় আৰু বিটিআৰত স্বামী বিবেকানন্দ বিশ্ববিদ্যালয়কে ধৰি মুঠ ৩ খন ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ বাবে শিক্ষামন্ত্ৰীগৰাকীয়ে কালি বিধানসভাত ৩ খন বিধেয়ক উত্থাপন কৰে।

ooooo

অহা ২ এপ্ৰিলত হ’বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান পূৰ্ণ গতিত চলি আছে। গোৱালপাৰা জিলাৰ ১৯টা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীসকলে নিজ নিজ সমষ্টিত ভোটদাতাসকলক আকৰ্ষিত কৰিব বাবে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। দক্ষিণ দুধনৈৰ বিজেপি সমৰ্থিত ৰাভা-হাছং যৌথ সংগ্ৰম সমিতিৰ প্ৰাৰ্থী তথা ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ সমানে সমানে কংগ্ৰেছ প্ৰাৰ্থী সঞ্জীৱ কুমাৰ ৰাভা আৰু ভোটাৰ্ছ পাৰ্টী অব ইণ্ডিয়া দলৰ প্ৰাৰ্থী পুনম হাজোৱাৰীয়ে কালি কেইবাখনো নিৰ্বাচনী সভাত অংশ লয়।

কামৰূপ জিলাৰ ২৭ নম্বৰ পৰিষদীয় সমষ্টিত ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি তথা এন ডি এ সমৰ্থিত প্ৰাৰ্থী সুমিত ৰাভাই সহস্ৰাধিক সমৰ্থকক লগত লৈ বকো ডাকোৱাপাৰাত কালি নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী অৰ্জুন ছেত্ৰী, ৰমাকান্ত ৰাভা আৰু আদিত্য ৰাভাইও কালি নিজ নিজ পৰিষদীয় সমষ্টিত প্ৰচাৰ আৰম্ভ কৰে। পৰিষদৰ পাণ্টান সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মনোজ ৰাভা, দক্ষিণ

পাণ্টান পৰিষদৰ কংগ্ৰেছ প্ৰাৰ্থী জিমবাৰ্থ মাৰাক, উত্তৰ বনগাঁৰৰ কংগ্ৰেছ প্ৰাৰ্থী দুৰ্গেশ্বৰ বড়ো আৰু বামুণী গাঁৰৰ জ্যোতিষ ঠাকুৰীয়াইও নিজ নিজ সমষ্টিত প্ৰচাৰ চলায়।

উল্লেখযোগ্য যে, অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত মৰাণ জনগোষ্ঠীৰ বিভিন্ন দাবী আৰু সমস্যা সন্দৰ্ভত জনগোষ্ঠীটোৰ ৬ টা সংগঠনৰ প্ৰতিনিধিৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত মৰাণ জনগোষ্ঠীৰ জনজাতিকৰণ, মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচন, শুকানগুৰিত বদৌচা কলাক্ষেত্ৰ নিৰ্মাণ, সুকীয়া ভূমি নীতি, ডিব্ৰুগড়ত মৰাণ জনগোষ্ঠীৰ শিক্ষাৰ্থীৰ আবাস আৰু অতিথিশালাৰ বাবে ভূমিৰ আৱণ্টন, জনগোষ্ঠীটোৰ ঐতিহাসিক কীৰ্তি চিহ্নসমূহ সংৰক্ষণ আদিকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰে জনগোষ্ঠীটোৰ দাবী তথা সমস্যাসমূহ পৰ্যালোচনা কৰি সমাধানৰ দিশত যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি আশ্বাস দিয়ে। প্ৰতিটো জনগোষ্ঠীৰ বিকাশৰ জৰিয়তে অসমক এখন শক্তিশালী ৰাজ্য হিচাপে গঢ়ি তোলাৰ দিশত নিৰন্তৰ কাম কৰি থকা হৈছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ডিমৌ বিধানসভা সমষ্টিত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতি সন্দৰ্ভতো এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। তেওঁ শিৱসাগৰ জিলাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰো বুজ লয়।

ooooo

গুৱাহাটী মহানগৰীৰ জল বোৰ্ডে সামৰি লোৱা অঞ্চলসমূহত অহা ১ জুলাইৰ পৰা গুৱাহাটী পৌৰ নিগমে পানী যোগান বন্ধ কৰিব। গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তই এখন জাননী যোগে এই কথা প্ৰকাশ কৰিছে। সেই অনুসৰি জল বোৰ্ডৰ অধীনত পানী সংযোগৰ বাবে পৌৰ নিগমৰ ৰেচন কাৰ্ড থকা গ্ৰাহকসকলে ৩০ দিনৰ ভিতৰত আবেদন কৰিলে তেওঁলোকৰ বাবে পানী সংযোগৰ সমুদায় ৯ হাজাৰ ৫০০ টকা গুৱাহাটী পৌৰ নিগমে বহন কৰিব। জল বোৰ্ডৰ অধীনত পানী যোগান প্ৰক্ৰিয়াত নাগৰিকসকলক উৎসাহিত কৰাৰ বাবে নিগমে এই পদক্ষেপ গ্ৰহণ কৰিছে।

ইপিনে, পানবজাৰ পানী যোগান প্ৰকল্পত বৈদ্যুতিক খুঁটা সলনিৰ বাবে কাইলৈ আৰু পৰহিলৈ মহানগৰীৰ ১৬টা স্থানত পানীযোগান ব্যাহত হ'ব। নিগমে জাৰি কৰা এখন বিবৃতি অনুসৰি মেৰামতিৰ সময়ছোৱাত পানবজাৰ, ফাঁচী বজাৰ, আঠগাঁও, এ টি ৰোড, ছাত্ৰীবাৰী, পল্টন বজাৰ, ৰিহাবাৰী, কছাৰীবস্তি, বি বৰুৱা পথ, উলুবাৰী, গান্ধীবস্তি, দক্ষিণ শৰণীয়া, লাচিত নগৰ, ভঙাগড়, ৰাজগড় আৰু পূব শৰণীয়াত পানী যোগান ব্যাহত হ'ব।

ooooo

## News Paper REV

অসমৰ ডিটেনছন শিবিৰৰ পৰা ১৩ গৰাকী বাংলাদেশীক বহিস্কাৰ, বিধানসভাত বিজেপি বিধায়কৰ উদ্ভণ্ডালী, ৰাজ্যৰ কোচিং প্ৰতিষ্ঠানসমূহ নিয়ন্ত্ৰণৰ বাবে বিধেয়ক উত্থাপন, ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ অসম বিধানসভাৰ

ভৱন আৰু বিধায়কৰ আৱাস গৃহ নিৰ্মাণস্থলী পৰিদৰ্শন আদিকে ধৰি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

উচ্চতম ন্যায়ালয়ৰ হেঁচাত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে অসমত থকা ১৩ জন অবৈধ বাংলাদেশীক বিতাড়ণ কৰাৰ বাতৰিটো আজি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠীত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসম বিধানসভাৰ বাজেট অধিৱেশনত বিজেপিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে পৱিত্ৰ সদনৰ মৰ্যাদা লাঘৱ কৰি বিৰোধী পক্ষৰ সদস্যৰ বিৰুদ্ধে অশোভনীয় আচৰণ কৰাৰ বাতৰিটোক আজি দৈনিক অসম, দৈনিক জনমভূমি, আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰকাশ কৰিছে।

বিজেপিৰ সাংসদ সুধাংশু ত্ৰিবেদীয়ে ধুবুৰীক ক্ষুদ্ৰ বাংলাদেশ বুলি কৰা মন্তব্যৰ কৰাৰ পাছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চাহ কোম্পানীৰ পৰিত্যক্ত ভূমিত শ্ৰমিকক পট্টন দিব চৰকাৰে শিৰোনামেৰে এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

এন আই টি শিলচৰৰ বৈদ্যুতিক অভিযান্ত্ৰিক বিভাগৰ এগৰাকী  ছাত্ৰীক শ্লীলতাহানিৰৰ চেষ্টা চলোৱা সহকাৰী অধ্যাপক ড০ ডি কোটেশ্বৰ ৰাজুক কৰ্তৃপক্ষই নিলম্বন কৰিছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

জলসিঞ্চন বিভাগত দুৰ্নীতিৰ অভিযোগ তুলি বিৰোধী পক্ষৰ বিধায়কসকলে কালি সদনত সভা স্থগিতৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ বিচাৰে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধানসভাত ৰাজ্যৰ কোচিং প্ৰতিষ্ঠানসমূহ নিয়ন্ত্ৰণৰ বাবে এখন বিধায়ক উত্থাপন কৰা বাতৰি দ্যা ছেণ্টিনেল কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

দ্যা টাইমছ অব ইণ্টিয়া কাকতে দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ বাসগৃহত বৃহৎ পৰিমাণৰ ধন উদ্ধাৰ হোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠীত স্থান দিছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত পৰিবেশ প্ৰদূষণ - নতুন ভাবুকি শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিবেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত মেডিচিন বিভাগৰ বিশিষ্টা চিকিৎসক ডাঃ ৰুণজুন টেৰণপী আৰু পৰিবেশ কৰ্মী মুবিনা আখতাৰে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফেচবুক পেজ airnewsghy আৰু Youtube Channel airnewsGuwahati-যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০

ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণ আজি আৰম্ভ হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছ্ ষ্টেডিয়ামত আজি সন্ধিয়া উদ্বোধনী খেলখন যোৱাবাৰৰ বিজয়ী কলকাতা নাইট ৰাইডাৰ্ছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত খেলোৱা হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত প্ৰসিদ্ধ গায়িকা শ্ৰেয়া ঘোষাল, পাঞ্জাবী গায়ক কৰণ ঔজলা আৰু বলীউদৰ অভিনেত্ৰী দিশা পাটানীয়ে অনুষ্ঠান পৰিৱেশন কৰিব। প্ৰতিযোগিতাত ১০টা দলৰ মাজত ৭৪ খন খেল অনুষ্ঠিত হ'ব।

ইপিনে আই পি এল আৰম্ভ হোৱাৰ পূৰ্বে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বিচিচিআইয়ে এই প্ৰতিযোগিতাৰ বাবে চাৰিটা বৃহৎ পৰিৱৰ্তন কৰিছে। পৰিষদৰ মুখ্য কাৰ্যালয়ত কালি দলসমূহৰ অধিনায়ক, প্ৰশিক্ষক আৰু প্ৰৱন্ধকসকলৰ সৈতে বিচিচিআইৰ এখন বৈঠকত সৰ্বসন্মতিক্ৰমে বলত লেলাৰতি লগোৱা কাৰ্যত অনুমতি দিয়া হয়। ক'ভিড মহামাৰীৰ সময়ত এই কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। তদুপৰি সন্ধিয়াৰ ভাগত অনুষ্ঠিত খেলসমূহত কুঁৱলীৰ বাবে উৎপন্ন হোৱা প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ উদ্দেশ্যে পাছত বলিং কৰা দলে ১০ অভাৰৰ পাছত বল বদলোৱাৰ বাবে অনুৰোধ কৰিব পাৰিব। আম্পায়াৰেও দশম অভাৰৰ পাছত প্ৰয়োজন হ'লে বদলি কৰাৰ সিদ্ধান্ত ল'ব পাৰিব। এই প্ৰতিযোগিতাতে নতুন আচৰণ বিধি প্ৰযোজ্য হ'ব আৰু ৩৬ মাহলৈকে এই বিধি বাহাল থাকিব।

ooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰৰ কেতবোৰ ঠাইত পাতলীয়া বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে।

ooooo

সমাপ্ত